# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-SEP-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
-------------------

ধুবুৰীত কালি সন্ধিয়া এটা ছাত্ৰ সংগঠনৰ প্ৰতিবাদী সমদলৰ সময়ত আৰক্ষীৰ লাঠিচালনাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা অপ্ৰীতিকৰ ঘটনা অত্যন্ত দুৰ্ভাগ্যজনক বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে। তেওঁ এই ঘটনাটো অনাকাংক্ষিত বুলি উল্লেখ কৰি কয় যে ইতিমধ্যে ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াগৰাকীক নিলম্বন কৰা হৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ মৰ্মে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই যোৱা নিশা ধুবুৰীত উপস্থিত হৈ গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীক তাৎক্ষণিকভাৱে বলবৎ হোৱাকৈ  নিলম্বন কৰা বুলি প্ৰকাশ কৰে। তদুপৰি গৌৰীপুৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াগৰাকীকো ৰিজাৰ্ভ ক্লজ কৰাৰ নিৰ্দেশ দিয়া হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

উল্লেখযোগ্য যে কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণ আৰু পৃথক কমতাপুৰ ৰাজ্যৰ দাবীত আক্ৰাছুৰ কেন্দ্ৰীয় সমিতিৰ নেতৃত্বত ধুবুৰী জিলা আক্ৰাছুৰ উদ্যোগত গোলকগঞ্জত কালি এটা জোঁৰ সমদল উলিওৱা হয়। প্ৰশাসনে আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনী মোতায়েন কৰাৰ পাছতো কোচ ৰাজবংশী জনগোষ্ঠীৰ কেইবাশ অংশগ্ৰহণকাৰীয়ে গোলকগঞ্জৰ চিলাৰায় মহাবিদ্যালয়ত উপস্থিত হৈ সমদল কৰি ৰাস মেলা ময়দানত সমবেত হয়। ইয়াৰ পাছত সমদলকাৰীসকলে জোঁৰ লৈ জনজাতিকৰণৰ দাবীত পৰিৱেশ উত্তাল কৰি তোলে। আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীয়ে প্ৰতিবাদকাৰীসকলক ছত্ৰভংগ দিবলৈ লাঠীচালনা কৰে। লাঠীচালনাত অৰ্ধশতাধিক প্ৰতিবাদকাৰী আহত হয়। সংকটজনক অৱস্থাত ইয়াৰে একাংশক প্ৰাথমিক চিকিৎসাৰ পাছত ধুবুৰী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ ধুবুৰী জিলাত সান্ধ্য আইন জাৰি কৰা হয়। প্ৰতিবাদকাৰীৰ ওপৰত আৰক্ষীয়ে লাঠীচালনা কৰা ঘটনাক সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা আৰু ধুবুৰী পশ্চিম জিলা আক্ৰাছুৱে গৰিহণা দিছে। নিৰস্ত্ৰ প্ৰতিবাদকাৰীক আক্ৰমণৰ এই ঘটনাৰ প্ৰতিবাদত আজি আক্ৰাছুৱে ১২ ঘণ্টীয়া ধুবুৰী জিলা বন্ধ ঘোষণা কৰে। পৰিস্থিতিৰ বুজ লৈ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কালি ধুবুৰী জিলা আৰক্ষী অধীক্ষকক ৫ দিনৰ ভিতৰত উপ মহাপৰিদৰ্শকক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। মন্ত্ৰীগৰাকীয়ে চিকিৎসাধীন হৈ থকা প্ৰতিবাদকাৰীসকলৰ স্বাস্থ্যৰ বুজ লয়।

ooooo

আসন্ন বিটিচি নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে নিজ নিজ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ওদালগুৰি জিলাত ভেৰগাঁও পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী জৌশ্ৰাং বড়োৰ সমৰ্থনত ডিমাকুছিত নিৰ্বাচনী সভাত অংশ লয়। ড০ শৰ্মাই তেওঁৰ ভাষণত এইবাৰ বিটিচিত বিজেপি চৰকাৰ গঠনত সহায় কৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়। বিটিচিত শান্তি আৰু

উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত উগ্ৰপন্থী সমস্যাৰ সমাধান সম্ভৱ হৈছে বুলি উল্লেখ কৰি তেওঁ এই নিৰ্বাচনত বিজেপি জয়ী হ'লে নিবনুৱা সমস্যা সমাধানৰ উপৰি বিটিআৰত মানৱ সম্পদ সৃষ্টিৰ বাবে কাম কৰিব বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কাইলৈ বিজেপিয়ে নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰিব বুলি ঘোষণা কৰে। ডঃ শৰ্মাই তামুলপুৰ জিলাত গোৰেশ্বৰ পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী দেৰহাছাৰ নাৰ্জাৰীৰ সমৰ্থনত প্ৰচাৰ সভাত অংশ লয়।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে চিৰাং জিলাৰ থুৰিবাৰী পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী তথা বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়ৰ সমৰ্থনত প্ৰচাৰ অভিযানত অংশ লয়। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চৰকাৰে সকলো জাতি-জনগোষ্ঠীৰ লোকৰ মাজত শান্তিৰ বাতাৱৰণেৰে প্ৰগতি আৰু উন্নয়ন সম্ভৱ কৰি তুলিছে। বিটিআৰৰ সকলো জাতি-জনগোষ্ঠীৰ বিকাশৰ বাবে এইবাৰ বিজেপি দলৰ পৰিষদ গঠন কৰিব লাগিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ইপিনে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে আজি বিয়লি মানস ছেৰফাং পৰিষদীয় সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী অবিনাশ ব্ৰহ্মৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলায়। পানবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত নিৰ্বাচনী সভাত গৌৰৱ গগৈয়ে এইবাৰ বিটিচিত কংগ্ৰেছৰ যুঁজ হ'ব বুলি উল্লেখ কৰি কয়, যে এই যুঁজ নৱপ্ৰজন্মৰ বাবে আৰু নিজৰ অধিকাৰৰ বাবে হ'ব।

বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে থুৰিবাৰী সমষ্টিৰ প্ৰাৰ্থী খলিলুৰ ৰহমানৰ সমৰ্থনত আজি এখন নিৰ্বাচনী সভাত ভাগ লয়।

বিটিচি নিৰ্বাচনৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগে ইতিমধ্যে ওজৰ-আপত্তি নিষ্পত্তি প'ৰ্টেল মুকলি কৰিছে। জনসাধাৰণে আদৰ্শ নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ বিষয়ে ফটো অথবা ভিডিঅ' প্ৰমাণসহ এই প'ৰ্টেলযোগে অৱগত কৰিব পাৰিব আৰু অভিযোগৰ স্থিতি সন্দৰ্ভত জানিব পাৰিব।

ooooo

ৰাজ্যৰ বিভিন্ন ঠাইত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ লগতে দিল্লী, মুম্বাই, কলকাতা আৰু অৰুণাচল প্ৰদেশতো বৰ্ণাঢ্য কাৰ্যসূচীৰে শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকীৰ আয়োজন কৰা হৈছে। বিশ্ববন্দিত শিল্পীগৰাকীৰ প্ৰতি সন্মান আৰু শ্ৰদ্ধা জনাই অহা ১৩ ছেপ্তেম্বৰত গুৱাহাটীত আয়োজিত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী  মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানত ৰাজ্যৰ এহেজাৰৰো অধিক শিল্পীয়ে ভূপেন হাজৰিকাৰ ১৪টা গীত আৰু কবিতা পৰিৱেশন কৰিব। এই অনুষ্ঠানতে শিল্পীগৰাকীৰ এটি স্মাৰক মুদ্ৰা আৰু এখন জীৱনী গ্ৰন্থও উন্মোচন কৰা হ'ব।

প্ৰধানমন্ত্ৰীয়ে অহা ১৪ ছেপ্তেম্বৰত নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। শ্ৰীমোদীয়ে ইয়াৰ পূৰ্বে মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্চিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

ooooo

সমাপ্ত